**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-03-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পিছতে ৰাজনৈতিক দলসমূহে দেশৰ বিভিন্ন প্ৰান্তত নিজ নিজ দলৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে।

২। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে প্ৰকৃত বিষয়ৰ পৰা জনসাধাৰণৰ মনোযোগ আঁতৰাই নিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰিছে।

৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ষ্টাৰ্টআপ মহাকুম্ভ আৰম্ভ হ'ব।

**আৰু**

৪। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ৰ খিতাপ দখল কৰিছে। ০০০০০

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পিছতে ৰাজনৈতিক দলসমূহে দেশৰ বিভিন্ন প্ৰান্তত নিজ নিজ দলৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ পালনাডু জিলাত দলৰ প্ৰথমখন নিৰ্বাচনী সভাত ভাষণ দি কয় যে, এন ডি এৰ মিত্ৰজোঁটে আঞ্চলিক স্বাৰ্থ আৰু ৰাষ্ট্ৰীয় প্ৰগতি দুয়োটাকে সৰোগত কৰি দেশৰ উন্নয়নৰ স্বাৰ্থত কাম কৰি গৈছে। তেওঁ লগতে কয় যে, এখন উন্নত ভাৰতৰ বাবে উন্নত অন্ধ্ৰপ্ৰদেশ গঢ়ি তোলাটো বিজেপি মিত্ৰজোঁটৰ অন্যতম লক্ষ্য। অন্ধ্ৰপ্ৰদেশত এন ডি এৰ ডাবল ইঞ্জিন চৰকাৰ হ'লে উন্নয়ন অধিক তৰান্বিত হ'ব। কৃষকৰ সৰু সৰু প্ৰয়োজনীয়তাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, অঞ্চলটোৰ কৃষকসকলক কৃষক সন্মান নিধিৰ অধীনত ৭০০ কোটিৰো অধিক টকা প্ৰদান কৰা হৈছে। শিক্ষাখণ্ডটো চৰকাৰখনে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তেওঁৰ চৰকাৰৰ কাৰ্যকালত যথেষ্ট সংখ্যক আগশাৰীৰ শিক্ষানুষ্ঠান উদ্বোধন কৰা লগতে আন কেইবাখনো শিক্ষানুষ্ঠানৰ আধাৰশিলা স্থাপন কৰা হৈছে। বিকশিত ভাৰতৰ বাবে আসন্ন নিৰ্বাচনত দ্বৈত ইঞ্জিনৰ চৰকাৰ নিৰ্বাচন কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে অন্ধ্ৰপ্ৰদেশৰ জনতাক আহ্বান জনায়। এই জনসভাত তেলুগু দেশম পাৰ্টীৰ মুৰববী এন চন্দ্ৰবাবু নাইডু আৰু জনসেনা পাৰ্টীৰ মুৰববী পৱন কল্যানে অংশগ্ৰহণ কৰে। উল্লেখ্য যে এয়া হৈছে অন্ধ্ৰপ্ৰদেশত এন ডি এৰ অংশীদাৰ দলসমূহৰ সৈতে ১০ বছৰৰ পাছত অনুষ্ঠিত হোৱা প্ৰথমখন নিৰ্বাচনী সভা। ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ অহা ১৩ মে'ত বিধানসভা নিৰ্বাচনো অনুষ্ঠিত হ'ব।

০০০০০

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে প্ৰকৃত বিষয়ৰ পৰা জনসাধাৰণৰ মনোযোগ আঁতৰাই নিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক সমালোচনা কৰিছে। নেতাগৰাকীয়ে কয় যে, দেশক ভাৰাক্ৰান্ত কৰি তোলা নিবনুৱা সমস্যা, হিংসা, মুদ্ৰাস্ফীতি, কৃষকৰ সমস্যা, অগ্নিবীৰ বিষয়ৰ দৰে বিষয়সমূহ সংবাদ মাধ্যমে আওকান কৰাৰ বাবে তেওঁ ভাৰত জোৰো যাত্ৰাৰ দৰে প্ৰত্যাহ্বান গ্ৰহণ কৰিবলগীয়া হৈছিল। মুম্বাই শিৱাজী পাৰ্কত অনুষ্ঠিত ইণ্ডিয়া মিত্ৰজোঁটৰ এখন ৰেলীত দিয়া ভাষণ প্ৰসংগত নেতাগৰাকীয়ে এই কথা প্ৰকাশ কৰে। জনসমাবেশৰ পূৰ্বে ভাৰত জোৰো ন্যায় যাত্ৰাৰ সামৰণিৰ অংশ হিচাপে শ্ৰীগান্ধীৰ নেতৃত্বত মনি ভৱনৰ পৰা অগষ্ট ক্ৰান্তি মৈদানলৈ এটা ন্যায় সংকল্প পদযাত্ৰা উলিওৱা হয়।

কৃষকসকলে সন্মুখীন হৈ অহা সমস্যা সন্দৰ্ভত শ্ৰীগান্ধীয়ে কয় যে, এন ডি এৰ চৰকাৰে কোম্পানীসমূহে কৃষকসকলক দিবলগীয়া ক্ষতিপূৰণৰ নিশ্চিত কৰিব নোৱাৰিলে। আনহাতে তেওঁ কয় যে, ই ভি এমৰ ব্যৱহাৰে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ বিজয়ৰ একমাত্ৰ কাৰণ। ৰেলীত এন চি পিৰ প্ৰধান শৰদ পাৱাৰ, শিৱসেনা (ইউ বি টি)ৰ সভাপতি উদ্ধৱ থাকৰে, তামিলনাডুৰ মুখ্যমন্ত্ৰী আৰু ডি এম কেৰ প্ৰধান এম কে ষ্টেলিন, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী তথা জে এম এমৰ নেতা চম্পাই চোৰেন, আৰ জে ডিৰ নেতা তেজস্বী যাদৱ, নেচনেল কনফাৰেন্সৰ সভাপতি ফাৰুক আব্দুলাকে ধৰি মিত্ৰজোঁটৰ কেইবাগৰাকীও নেতা উপস্থিত থাকে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ষ্টাৰ্টআপ মহাকুম্ভ আৰম্ভ হ'ব। ভাৰতৰ সৰ্ববৃহৎ ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে এই ষ্টাৰ্টআপ মহাকুম্ভৰ আয়োজন কৰা হৈছে। অহা ২০ মাৰ্চলৈ চলিবলগীয়া এই অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তা, বি টু বি, কৃষি প্ৰযুক্তি, জলবায়ু প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ষ্টাৰ্টআপসমূহ দেখিবলৈ পোৱা যাব। বিনিয়োগকাৰী আৰু উদ্যোগখণ্ডৰ অংশীদাৰসকলক ভাৰতীয় ষ্টাৰ্টআপৰ সৈতে জড়িত কৰাই হৈছে এই অনুষ্ঠানৰ উদ্দেশ্য। নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত কালি ডি পি আই আই টিৰ সচিব ৰাজেশ কুমাৰ সিঙে কয় যে, দেশৰ ৰাজধানীত বৃহৎ পৰিসৰত আয়োজন কৰা ষ্টাৰ্টআপ মহাকুম্ভ হৈছে এনেধৰণৰ প্ৰথমটো অনুষ্ঠান। ভাৰত ষ্টাৰ্টআপৰ ক্ষেত্ৰত তৃতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি শ্ৰী সিঙে কয় যে, প্ৰতিদিনেই ষ্টাৰ্টআপৰ সংখ্যা বৃদ্ধি পাই আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানটোত দুহেজাৰৰো অধিক ষ্টাৰ্টআপৰ লগতে ৩০ হাজাৰ ভৱিষ্যতৰ উদ্যমী, ৫০ হাজাৰ ব্যৱসায়িক অভ্যাগত আৰু ১০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

ooooo

নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শিখ সম্প্ৰদায়ৰ বিভিন্ন লোকে ধন্যবাদ জ্ঞাপন কৰিছে। সমান্তৰালকৈ এই আইনে জাতিটোক অসুৰক্ষিত কৰিব বুলি মন্তব্য কৰাৰ বাবে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক সমালোচনা কৰে সম্প্ৰদায়টোৱে। নাগৰিকত্ব সংশোধনী আইনক সমালোচনা কৰি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কৈছিল যে, স্বাধীনতাৰ পাছত যিদৰে ভাৰতলৈ অবাধ প্ৰব্ৰজন হৈছিল, এই আইন কাৰ্যকৰী হোৱাৰ পাছত তাতোতকৈও অধিক প্ৰব্ৰজনে জাতিটোক অস্থিৰ কৰি তুলিব। দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইবুলিও দাবী কৰিছিল যে, **কা** কাৰ্যকৰী হোৱাৰ লগে লগে আইন শৃংখলাজনিত পৰিস্থিতি উদ্ভৱ হোৱাৰ লগতে চুৰি, ডকাইতি, ধৰ্ষণৰ সংখ্যা বৃদ্ধি পাব। কেজৰিৱালক মন্তব্যৰ আঁত ধৰি গুৰুদ্বাৰৰ মুৰব্বী

গুৰদীপ কৌৰে কয় যে, **কা** কাৰ্যকৰী হোৱাৰ বাবে তেওঁ অত্যন্ত সুখী আৰু ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ধন্যবাদৰ পাত্ৰ। উল্লেখ্য লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণাৰ কেইদিনমান পূৰ্বে যোৱা ১১ মাৰ্চত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে নাগৰিকত্ব সংশোধনী আইনৰ নিয়মাৱলী জাৰি কৰিছিল। নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনে ২০১৯ চনত সংসদত **কা** গৃহীত কৰিছিল। এই আইনৰ মূল লক্ষ্য আছিল বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানত নিৰ্যাতনৰ বলি হৈ ভাৰতলৈ প্ৰব্ৰজন কৰা হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চী আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা। ০০০০০

০০০০০

আৰব সাগৰত ৪০ ঘণ্টাজুৰি চলা অভিযানৰ পাছত ভাৰতীয় নৌসেনাৰ যুদ্ধ জাহাজ আই এন এছ্ কলকাতাই গ্ৰেপ্তাৰ কৰা ৩৫টা সামুদ্ৰিক ডকাইতক ভাৰতলৈ আনিবলৈ সাজু হৈছে। নৌসেনাৰ বিষয়াই জনোৱামতে যুদ্ধ জাহাজখনে এই ৩৫টা সামুদ্ৰিক ডকাইতক নিজৰ জিম্মাত লোৱাৰ লগতে বৃহৎ অভিযানৰ পাছত উদ্ধাৰ কৰা ১৭জনীয়া চালক দলৰ সদস্যসকলকো ভাৰতলৈ আনিব। অভিযানৰ সময়ত ভাৰতীয় নৌসেনাই সামুদ্ৰিক ডকাইকেইটাক আত্মসমৰ্পণ কৰাৰ বাবে বাধ্য কৰায়। জাহাজখনে কালি সংকটত থকা বাণিজ্যিক জাহাজ **এম ভি ৰুয়েনৰ** চালকদলৰ ১৭জন সদস্যকো উদ্ধাৰ কৰে। উল্লেখযোগ্য যে আৰৱ সাগৰৰ অভিযানত নিয়োজিত আই এন এছ্ কলকাতাই সুদীৰ্ঘ ৪০ ঘণ্টাজোৰা প্ৰচেষ্টাৰ পাছত ২০২৩ চনৰ ডিচেম্বৰ মাহত অপহৰণ কৰা **এম ভি ৰুয়েন** নামৰ বাণিজ্যিক জাহাজখন চ'মালীৰ সামুদ্ৰিক ডকাইতৰ কবলৰ পৰা উদ্ধাৰ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীনগৰৰ ডাল হ্ৰদৰ পাৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা ফৰ্মুলা-4 গাড়ী প্ৰদৰ্শনী অনুষ্ঠানলৈ অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰদৰ্শনীয়ে জম্মু-কাশ্মীৰৰ সৌন্দৰ্য্য বৃদ্ধিত অধিক সহায় কৰাৰ লগতে পৰ্যটন ব্যৱস্থাৰ পৰিকাথামো উন্নত কৰিব।

ভাৰতত শেহতীয়াকৈ মটৰস্পৰ্টছক উদগণি যোগোৱাৰ বাবে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু শ্ৰীনগৰ এনে স্থান সমূহৰ ভিতৰত শীৰ্ষত আছে। উল্লেখযোগ্য যে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত এজন ব্যক্তিয়ে কাশ্মীৰৰ বৰ্তমানৰ পৰিৱেশ সন্দৰ্ভত দিয়া এটা ইতিবাচক বাৰ্তা প্ৰধানমন্ত্ৰী মোদীয়ে অলপতে শ্বেয়াৰ কৰিছিল।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

০০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ৰ খিতাপ দখল কৰিছে। দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেল খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে দেল্‌হি কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি দেল্‌হি কেপিটেলছে ১১৪ ৰানৰ বিজয় লক্ষ্য বান্ধি দিয়ে। প্ৰত্যুত্তৰ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে ১৯ অভাৰ আৰু ৩টা বলত ৩টা উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়। দলটোৰ হৈ এলিছ পেৰীয়ে সৰ্বাধিক ৩৫ ৰান কৰে আনহাতে ছফী ডিভাইন আৰু স্মৃতি মন্ধনাই ক্ৰমে ৩২ আৰু ৩১ ৰান কৰে। শ্ৰেয়াংকা পাটিলে ৪টা উইকেট আৰু ছফী ম'লিনিকে ৩টাকৈ উইকেট দখল কৰে। ছফী ম'লিনিউক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়। দেল্‌হি কেপিটেলছৰ হৈ ছেফালী বাৰ্মাই সৰ্বাধিক ৪৪ ৰান কৰে।

০০০০০

সমাপ্ত